**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-FEB-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। যোৰহাট আৰু লখিমপুৰত আজি মুখ্যমন্ত্ৰীৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী। লখিমপুৰত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি।

২। ৰাজ্যিক কৰ্মচাৰীলৈ দৌল উৎসৱৰ উপহাৰ হিচাপে ৰাজ্য চৰকাৰৰ ২৭ ফেব্ৰুৱাৰীতে দৰমহা প্ৰদানৰ সিদ্ধান্ত।

৩। দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীলৈ অহা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানৰ আজি জিলাখনত কেইবাটাও কাৰ্যসূচী।

৪। হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে গোৱালপাৰাত সৌৰ বেৰ স্থাপনৰ বিশেষ পদক্ষেপ। **আৰু**

৫। টি-২০ পুৰুষ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম দল হিচাপে ইংলেণ্ডৰ ছেমি ফাইনেলত প্ৰৱেশ।

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি যোৰহাটৰ নৱ নিৰ্মিত অসম মহিলা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰিব। ২৮ কোটি ৫০ লাখ টকা ব্যয়েৰে এই চৌহদ নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে যোৰহাটৰ কলিয়াপানীত থকা অসম মহিলা বিশ্ববিদ্যালয় চৌহদত দিনৰ ১২ বাজি ৪৫ মিনিটত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বৈদেশিক  পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, বিমল বৰাৰ উপৰি কেইবাগৰাকী সাংসদ, বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ১৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত যোৰহাট চৰকাৰী আইন মহাবিদ্যালয়ো উদ্বোধন কৰিব। তদুপৰি ৯ কোটি টকা ব্যয়সাপেক্ষে গ্ৰাম্য আন্তঃগাঁথনি পুঁজিৰ অধীনত মৰিয়নিৰ চাহ বাগিচা অঞ্চলত নিৰ্মাণ কৰা দুখন আদৰ্শ বিদ্যালয় আৰু মহাদেৱ আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন মুকলি কৰিব। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী লখিমপুৰলৈ যাব। ড° শৰ্মাই লখিমপুৰত ১১৮ কোটি টকা ব্যয়েৰে নিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰিব। জিলাখনৰ ছাব'তিৰ লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰত বিয়লি ৩ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে লগতে স্মাৰ্ট এল ই ডি ষ্ট্ৰীট লাইট চিষ্টেম, পথ সুৰক্ষা উন্নীতকৰণ প্ৰকল্প, নৰ্থ লখিমপুৰ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় হিচাপে উন্নীতকৰণৰ আন্তঃগাঁথনি নিৰ্মাণৰ কাম, লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ প্ৰসূতি আৰু শিশু চিকিৎসালয়ৰ উন্নীতকৰণকে ধৰি কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই সন্দৰ্ভত আমাৰ লখিমপুৰৰ সংবাদদাতা হিমাদ্ৰী দিহিঙীয়াই এইদৰে কয় –

**ভইচকাষ্ট**

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি আংলং জিলাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৩৯৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে ১২ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মিত খটখটি মিনি ষ্টেডিয়াম আৰু বোকাজান বিধানসভা সমষ্টিৰ বালিপথাৰ, চিলনীজান, বৰপথাৰ আৰু হিদিপিত সাপ্তাহিক বজাৰ প্ৰকল্প উদ্বোধন কৰে।

মুখ্যমন্ত্ৰীয়ে কালি বিয়লি মহিলা উদ্যমিতা অভিযানৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰে। সমষ্টিটোৰ ২৯ হাজাৰ ৩১৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়।

০০০০০০

ৰাজ্যিক কৰ্মচাৰীলৈ দৌল উৎসৱৰ উপহাৰ হিচাপে ৰাজ্য চৰকাৰে চলিত মাহৰ দৰমহা আগতীয়াকৈ অৰ্থাৎ ২৭ ফেব্ৰুৱাৰীত প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ প্ৰতি কৃতজ্ঞতাৰ ইংগিত স্বৰূপে মাৰ্চ মাহৰ প্ৰথম সপ্তাহত নিৰ্ধাৰিত দৰমহা ২৭ ফেব্ৰুৱাৰীতে প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কৰ্মচাৰীসকলৰ পৰিয়ালৰ সুখ আৰু সমৃদ্ধি কামনা কৰে।

০০০০০০

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে কালি দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি মাজুলীত সংহত আয়ুক্ত কাৰ্যালয়ত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰিব।

ভ্ৰমণৰ প্ৰথম দিনা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সংহত আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ প্ৰতিটো বিভাগৰ মুৰব্বীসকলৰ সৈতে জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। ইয়াৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ কেইবাটাও গৃহ পৰিদৰ্শন কৰি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। পৰৱৰ্তী সময়ত তেওঁ জিলা চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসা কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। ইয়াৰ লগতে তেওঁ পি এম জি এছ ৱাইৰ অধীনত নিৰ্মিত কেইবাটাও পথ পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ মাজুলীৰ সামগ্ৰিক অৱস্থাৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে চৰকাৰী আঁচনি সময়মতে আৰু সুচাৰুৰূপে কাৰ্যকৰী কৰাত গুৰুত্ব আৰোপ কৰি অসম্পূৰ্ণ হৈ থকা কামসমূহ ক্ষীপ্ৰতাৰে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃক্ষক নিৰ্দেশ দিয়ে।

০০০০০০

সেনাবাহিনীত যোগদান কৰিবলৈ আগ্ৰহী শ্ৰীভূমি জিলাৰ যুৱক-যুৱতীসকলক অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১ এপ্ৰিলৰ ভিতৰত আবেদন কৰিব লাগিব। অগ্নিবীৰ জেনেৰেল ডিউটি, অগ্নিবীৰ ক্লাৰ্ক, অগ্নিবীৰ ট্ৰেডছমেন, অগ্নিবীৰ মিলিটাৰী পুলিচ, চিপাহী ফাৰ্মা আৰু ছ'লজাৰ টেকনিকেল পদত এই আবেদন বিচৰা হৈছে। বয়স আৰু শিক্ষাগত অৰ্হতা অনুসৰি প্ৰাৰ্থীৰ বয়স ১৭ বছৰ ৬ মাহৰ পৰা ২২ বছৰ হ'ব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে সেনাৰ অফিচিয়েল ৱেবছাইটযোগে আবেদন জনাব পাৰিব।

০০০০০০

অসম প্ৰদেশ বিজেপিয়ে সামাজিক মাধ্যম বিভাগৰ জৰিয়তে বিকশিত অসম, অগ্ৰগামী অসম বিষয়ক সদৌ অসম ভিত্তিক ৰীল আৰু ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

বিগত পাঁচ বছৰত অসমত হোৱা উন্নয়নক বিষয়বস্তু হিচাপে লৈ এই ৰীল আৰু ৰচনা প্ৰস্তুত কৰিব লাগিব। ২০ ছেকেণ্ডৰ পৰা ৯০ ছেকেণ্ডৰ ভিতৰত ৰীল প্ৰস্তুত কৰিব লাগিব। ১৮ বছৰ অনুৰ্ধ ল'ৰা-ছোৱালীৰ বাবে ৰচনা প্ৰতিযোগিতাৰ বিষয় ভৱিষ্যতৰ অসম নিৰ্মাণত বিজেপিয়ে লোৱা ভূমিকা, ১৮ৰ পৰা ৪০ বছৰ বয়সৰ ভোটদাতাৰ বাবে বিষয় হৈছে নিকা আৰু স্বচ্ছ নিয়োগ ব্যৱস্থা তথা শাসন ব্যৱস্থা প্ৰতিষ্ঠাত বিজেপি চৰকাৰৰ অৱদান। ৪০ বছৰৰ ঊৰ্ধৰ নাগৰিকৰ বাবে ৰচনাৰ বিষয় হ'ল – ২০৪৭ চনৰ অসমখনক সুৰক্ষিত কৰি ৰখাৰ বাবে বিজেপিয়ে ল'ব পৰা পৰিকল্পনা।

ৰীলসমূহ কাইলৈৰ পৰা ১৫ মাৰ্চৰ ভিতৰত প্ৰস্তুত কৰি নিজৰ ফে'চবুক নাইবা ইনষ্টাগ্ৰাম পেজত দিব লাগিব। এই সন্দৰ্ভত এখন সংবাদমেলত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এইদৰে কয় –

**বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)**

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি আয়োজিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ষষ্ঠ সমাৱৰ্তন অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, অধ্যাপক নগেন শইকীয়াক ডি লীট সন্মান আৰু শিক্ষাবিদ ডং দীনেশ চন্দ্ৰ গোস্বামীক ডি এছ চি সন্মান আগবঢ়োৱা হয়। শৈক্ষিক শোভাযাত্ৰাৰে আৰম্ভ হোৱা সমাৱৰ্তনৰ কাৰ্যসূচী বিশ্ববিদ্যালয়খনৰ আচাৰ্য ভৱেন্দ্ৰ নাথ ডেকাই শুভাৰম্ভ কৰে। ইয়াৰ পাছতে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰাই শিক্ষানুষ্ঠানৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। কালি শাৰীৰিক অসুস্থতাৰ বাবে সমাৱৰ্তনত অংশ ল'ব নোৱাৰা অধ্যাপক নগেন শইকীয়াক নিজ গৃহত এই সন্মান আগবঢ়োৱা হ'ব বুলি বিশ্ববিদ্যালয়খনৰ সূত্ৰই প্ৰকাশ কৰিছে। এই সমাৱৰ্তনত তিনিটা শৈক্ষিক বৰ্ষৰ ৭৯ গৰাকীক পি এইচ ডি, ৭৬৮ গৰাকীক স্নাতক-স্নাতকোত্তৰ আৰু ডিপ্ল'মাৰ প্ৰমাণপত্ৰ আগবঢ়োৱা হয়। অনুষ্ঠানত বিশেষ বক্তা হিচাপে অংশ লৈ NECTAR- নতুন দিল্লীৰ সঞ্চালকপ্ৰধান ডং অৰুণ কুমাৰ শৰ্মাই দক্ষতা আৰু কাৰিকৰী শিক্ষাই শিক্ষাৰ্থীসকলৰ লগতে সমাজ আৰু দেশক সঠিক পথত আগুৱাই নিব বুলি মত প্ৰকাশ কৰে। তেওঁ আঞ্চলিক পৰ্যায়ত কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে নতুন প্ৰযুক্তিৰ সঞ্চাৰ অৰ্থনৈতিক উন্নয়নৰ আধাৰ বুলি মন্তব্য কৰে।

০০০০০০

গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত বন বিভাগে আৰণ্যক নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে সৌৰশক্তি চালিত বেৰ স্থাপন কৰি চেষ্টা চলাই আছে। ইয়াৰ অংশ হিচাপে গোৱালপাৰাৰ গৰাইমাৰী ৰাজহ গাঁৱত সৌৰ বেৰ স্থাপনৰ কাম চলি আছে। এই সৌৰ বেৰৰ ভিতৰত প্ৰৱেশ কৰিলে বা বেৰৰ স্পৰ্শলৈ বনৰীয়া হাতী আহিলে কম্পনৰ সৃষ্টি হয় আৰু হাতী আঁতৰি যায়। এই বেৰে হাতী বা মানুহৰ কোনো ক্ষতি নকৰে। ইতিমধ্যে জিলাখনৰ গোৱালপাৰা, কৃষ্ণাই, ৰংজুলি আৰু লক্ষীপুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ৩২ খন গাঁৱত এনে সৌৰ বেৰ স্থাপনৰ কাম সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত আৰণ্যকৰ ৰিপুঞ্জয় কুমাৰ নাথে এইদৰে কয়–

**বাইট**

০০০০০০

ডিফু বালক উচ্চতৰ মাধ্যমিক খেলপথাৰত কালিৰেপৰা ৭ দিনীয়া কাৰ্যসূচীৰে ৰাজ্যিক উদ্যম সমাগম স্বদেশী মেলা অনুষ্ঠিত হৈছে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে কালি এই মেলাৰ শুভাৰম্ভ কৰে। ২ মাৰ্চলৈ চলিবলগীয়া এই মেলাত স্থানীয় উদ্যমীসকলে ভালেসংখ্যক বিপনী স্থাপন কৰিছে।

০০০০০০

গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ফীট ইণ্ডিয়া মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ ২৯ আগষ্টত শুভাৰম্ভ কৰা ফীট ইণ্ডিয়া আন্দোলনৰ জৰিয়তে শাৰিৰীক সুস্থতাৰ বিষয়টো দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ কৰি লোৱাৰ আৰু শাৰিৰীকভাৱে অধিক সক্ৰিয় সমাজৰ প্ৰসাৰ কৰিব খোজা হৈছে। যোৱা বছৰ নতুন দিল্লীত অনুষ্ঠিত ফীট ইণ্ডিয়া মহোৎসৱৰ প্ৰতি জনসাধাৰণৰ বিপুল সঁহাৰিলৈ চাই দেশৰ বিভিন্ন ঠাইলৈ এই মহোৎসৱৰ সম্প্ৰসাৰণ কৰা হৈছে। এই ৰাষ্ট্ৰজোৰা জনসম্পৰ্ক অভিযানৰ অংশ হিচাপে ভাৰতীয় খেল প্ৰাধিকৰণৰ গুৱাহাটী শাখাই উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সৈতে শাৰিৰীক সুস্থতাৰ সমাহাৰেৰে সুকীয়া আঞ্চলিক বৈশিষ্ট্যৰ সৈতে এই মহোৎসৱৰ আয়োজন কৰিছে।

মহোৎসৱত জুম্বা, যোগ কৰ্মশালা, পৰম্পৰাগত খেল-ধেমালিকে ধৰি বিভিন্ন বয়সৰ লোকৰ বাবে ভিন ভিন সত্ৰৰ আয়োজন কৰা হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হ'ব।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত পাকিস্তানক ২ উইকেটত পৰাস্ত কৰি ইংলেণ্ড প্ৰথমটো দল হিচাপে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত খেলখনত ইংলেণ্ডে ১৬৫ ৰানৰ লক্ষ্যৰে খেলি ৫টা বল বাকী থকা অৱস্থাত ৮টা উইকেটৰ বিনিময়ত বিজয় সাব্যস্ত কৰে। অধিনায়ক হেৰি ব্ৰুকে ৯১টা বলত ১০০ ৰান কৰি দলৰ জয়ত অনবদ্য বৰঙণি আগবঢ়ায়। ইংলেণ্ডৰ হৈ লিয়াম ড'ছনে ৩টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬৪ ৰান সংগ্ৰহ কৰে। ছাহিবজাদা ফাৰহানে ৬৩ ৰান কৰাৰ বিপৰীতে শ্বাহিন আফ্ৰিদিয়ে দলটোৰ হৈ ৩টা উইকেট দখল কৰে।

আজি গ্ৰুপ-টুৰ আন এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত সন্ধিয়া ৭ বজাত খেলখন আৰম্ভ হ'ব।

০০০০০০

ব'হাগ বিহুৰ পূৰ্বে অসমত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা, বহিঃৰাজ্যত পুনৰ উত্তৰ-পূবৰ যুৱতী নিগৃহীত হোৱাক লৈ সৃষ্টি হোৱা প্ৰতিক্ৰিয়া, কেৰালাৰ নাম সলনি, শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়াৰ সন্দৰ্ভত পৰিয়ালৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোচনাকে ধৰি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

দিল্লীত অৰুণাচল প্ৰদেশৰ কেইবাগৰাকী যুৱতী জাতি বৈষম্যৰ সন্মুখীন হোৱা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই গোৰখপুৰত নগা যুৱতী চিকিৎসকক নিৰ্যাতন চলোৱাক লৈ সৰ্বত্ৰে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নাগালেণ্ডকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত দল-সংগঠনে ইয়াক লৈ প্ৰতিবাদো সাব্যস্ত কৰিছে। বাতৰিটো অসমীয়া প্ৰতিদিনৰ লগতে কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আসন্ন অসম বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যত ৰাজনৈতিক দলসমূহৰ তৎপৰতা আৰু নিৰ্বাচনৰ দিন ঘোষণাক লৈ অব্যাহত জল্পনা-কল্পনাৰ বাতৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমীয়া খবৰ কাকতত বাতৰিটোৰ শিৰোনাম **দুটা নহয়, এটা পৰ্যায়তে ৰাজ্যৰ ১২৬টা সমষ্টিত নিৰ্বাচন- ১৫ মাৰ্চত অধিসূচনা, ১০ এপ্ৰিলত ভোট।** দৈনিক জনমভূমি কাকতৰ শিৰোনাম- **১৪ মাৰ্চলৈকে আধাৰশিলা-উদ্বোধনৰ ভালেসংখ্যক অনুষ্ঠান ৰাজ্য চৰকাৰৰ, ৰঙালী বিহুৰ পাছতে নিৰ্বাচন**। দৈনিক অসম কাকতে নিৰ্বাচনকেন্দ্ৰিক বাতৰি এটা ৰাজ্যৰ ৯০-৯৫ সমষ্টিত বিৰোধীয়েই নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যক কেন্দ্ৰ কৰি প্ৰকাশ কৰিছে। একেটা সুৰতে দা ছেণ্টিনেল কাকতৰ শিৰোনাম- **OPPOSITION HAS FAILED TO CONNECT WITH PEOPLE'S ISSUES, SAYS CM**।

কেৰালাৰ নাম সলনি কৰি কেৰালাম কৰাৰ প্ৰস্তাৱত কেন্দ্ৰীয় কেবিনেটে কালি অনুমোদন জনোৱাৰ বাতৰিটো দৈনিক অসমকে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়াৰ সন্দৰ্ভত পৰিয়ালৰ লোকৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আলোচনা কৰিব বুলি মন্তব্য কৰিছে। এই সম্পৰ্কীয় একোটা বাতৰি দি আছাম ট্ৰিবিউন আৰু আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কলিয়াবৰৰ পৰা নুমলীগড়লৈ নিৰ্মাণ কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় কাজিৰঙা এলিভেটেড কৰিডৰ প্ৰকল্পই মুকলি কৰিবলগীয়া সম্ভাৱনীয়তাক সামৰি এটা বিস্তৃত বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

ওদালগুৰি জিলাৰ গিতিবাৰী গাঁৱৰ জ্যেষ্ঠ সমাজকৰ্মী ধৰণীধৰ শৰ্মাৰ আজি পুৱতি নিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে ধুঁৱলী-কুঁৱলী হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**